অসম

৯৯ বছৰত ভৰি দিলে হাউলীৰ ৰাস মহোৎসৱে: শতবৰ্ষীয় অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰী মোদীক আমন্ত্ৰণৰ পৰিকল্পনা

হাউলীৰ ঐতিহ্যবাহী ৰাস মহোৎসৱে ৯৯ বছৰত ভৰি দিলে। অহা বছৰ অনুষ্ঠিত হ'বলগীয়া শতবৰ্ষীয় অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আমন্ত্ৰণ জনোৱাৰ পৰিকল্পনা কৰা হৈছে।

প্ৰকাশ: ২৫ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২২



হাউলী, ২৪ নৱেম্বৰ: অসমৰ ঐতিহ্যবাহী ধৰ্মীয় তথা সাংস্কৃতিক উৎসৱ হাউলীৰ ৰাস মহোৎসৱে এইবাৰ ৯৯ বছৰত ভৰি দিলে। মঙলবাৰে অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে ৯৯ সংখ্যক ৰাস মহোৎসৱ

আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অহা বছৰ এই মহোৎসৱে শতবর্ষ সম্পূর্ণ কৰিব। এই উপলক্ষে শতবর্ষীয় অনুষ্ঠানলৈ প্রধানমন্ত্রী নৰেন্দ্র মোদীক আমন্ত্রণ জনোৱাৰ পৰিকল্পনা কৰিছে আয়োজকসকলে।

উদ্বোধনী অনুষ্ঠানত ভাষণ দি অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে কয় যে অসমৰ বিভিন্ন প্রান্তত অনুষ্ঠিত ৰাস মহোৎসৱে দেশ-বিদেশৰ পর্যটকৰ মাজত বিশেষ জনপ্রিয়তা লাভ কৰিছে। মাজুলী, হাউলী, পাঠশালা, বৰপেটা আৰু নলবাৰীৰ ৰাস মহোৎসৱসমূহে অসমৰ সাংস্কৃতিক পৰিচয়ক বিশ্ব দৰবাৰত তুলি ধৰিছে বুলিও তেওঁ উল্লেখ কৰে।

অধ্যক্ষগৰাকীয়ে জনায় যে অহা বছৰ হাউলীৰ ৰাস মহোৎসৱে ১০০ বছৰ সম্পূর্ণ কৰিব। এই শতবর্ষীয় অনুষ্ঠানলৈ প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ লগতে ৰাজ্যপাল আৰু মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাকো আমন্ত্রণ জনোৱাৰ পৰিকল্পনা হাতত লোৱা হৈছে। প্রধানমন্ত্রীগৰাকীয়ে এই অনুষ্ঠানত অংশগ্রহণ কৰিলে হাউলীৰ ৰাস মহোৎসৱে আন্তঃৰাষ্ট্রীয় পর্যায়ত বিশেষ পৰিচিতি লাভ কৰিব বুলি তেওঁ আশা প্রকাশ কৰে।

তেওঁ লগতে কয় যে ৰাজ্যৰ সংস্কৃতি সংৰক্ষণ আৰু প্রচাৰৰ বাবে ৰাজ্য চৰকাৰ তথা কেন্দ্রীয় চৰকাৰে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছে। ৰাস মহোৎসৱৰ জৰিয়তে অসমৰ বৈষ্ণৱ পৰম্পৰা, ধর্মীয় বিশ্বাস আৰু সাংস্কৃতিক ঐতিহ্য নতুন প্রজন্মৰ মাজলৈ লৈ যোৱাৰ প্রয়োজনীয়তা আছে বুলিও তেওঁ মন্তব্য কৰে।

অসমৰ অন্যতম প্রধান বৈষ্ণৱ ধর্মীয় উৎসৱ ৰাসত ভগৱান শ্রীকৃষ্ণৰ জীৱনৰ বিভিন্ন লীলা নৃত্য, সংগীত, অভিনয় আৰু ধর্মীয় পৰিৱেশনৰ জৰিয়তে উপস্থাপন কৰা হয়। উজনি, উত্তৰ আৰু মধ্য অসমত, বিশেষকৈ মাজুলীত জীৱন্ত অভিনয়ৰ জৰিয়তে ৰাসলীলা প্রদর্শন কৰা হয়। আনহাতে নামনি অসমৰ হাউলী, বৰপেটা, পাঠশালা, নলবাৰী, পলাশবাৰী আৰু ছয়গাঁৱত শ্রীকৃষ্ণৰ বিভিন্ন লীলা মৃণ্ময় মূর্তি অর্থাৎ মাটিৰ প্রতিমাৰ জৰিয়তে তুলি ধৰা হয়।

শতবর্ষৰ দিশে আগবঢ়া হাউলীৰ এই ঐতিহাসিক ৰাস মহোৎসৱক অধিক ব্যাপক ৰূপত উদযাপন কৰাৰ লগতে ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্যক দেশ-বিদেশত প্রচাৰ কৰাৰ লক্ষ্য লৈছে আয়োজক সমিতিয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6172/howly-raas-mahotsav-enters-99th-year-pm-modi